
আইনী সাক্ষৰতা শৃংখলা-৪

# শালীনতাৰ মৰ্য্যাদা



সাক্ষৰ ভাৰত

ৰাজ্যিক সম্পদ কেন্দ্ৰ অসম
ৰাষ্ট্ৰীয় সাক্ষৰতা মিছন প্ৰাধিকৰণ
মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয়
ভাৰত চৰকাৰ

ন্যায় বিভাগ
বিধি আৰু ন্যায় মন্ত্ৰালয়
ভাৰত চৰকাৰ

# ASSAM STATE LEGAL SERVICES AUTHORITY

1ST FLOOR, GAUHATI HIGH COURT, OLD BLOCK
GUWAHATI - 781001, ASSAM
PHONE : 0361 - 2516367, FAX : 0361 - 2601843

অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকাৰী
গুৱাহাটী - ৭৮১০০১


No. ASLSA-38/2014/21 Dated: Guwahati the 18 th April '2016

To

The Director,
State Resource Centre - Assam,
1- CD, Mandovi Apartments,
GNB Road, Ambari, Guwahati-781001
(Assam)

**Sub:** VETTING OF IEC MATERIALS ON LEGAL LITERACY COMPONENTS - ASSAMESE.

Ref.: Your letter no. SRC/170/97/654-56 dated 21.03.2016.

Dear Sir,

In inviting a reference to the subject as cited above, undersigned has the honor to state that the vetting of the IEC materials ( in Assamese) have been completed and are being returned herewith after minor modifications in sentence/word structuring on the legal literacy components and the modified word/sentence is highlighted in erasable pencil markings.

Vetting of the rest of the IEC material (in Nepali & Bengali) is also being arranged and will be returned as soon as these are completed.

With best regards

Yours faithfully

Mridul K Saikia
18/4/2016

(Mridul Kr. Saikia)
Member Secretary i/c
Assam State Legal Services Authority

Encl:
As stated above.

# শালীনতাৰ মৰ্য্যাদা

## আইনী সাক্ষৰতা শৃংখলা-৪

সাক্ষৰ ভাৰত

ৰাজ্যিক সম্পদ কেন্দ্ৰ অসম
ৰাষ্ট্ৰীয় সাক্ষৰতা মিছন প্ৰাধিকৰণ
মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয়
ভাৰত চৰকাৰ

सत्यमेव जयते

ন্যায় বিভাগ
বিধি আৰু ন্যায় মন্ত্ৰালয়
ভাৰত চৰকাৰ

**Salinatar Marjyada :** This book is based on legal awareness for the neoliterates on sexual harassment of women at work place act 2013. This book is prepared by National Literacy Mission Authority and Department of Justice, Govt. of India, New Delhi. This book is translated and published by State Resource Centre Assam, 1-CD, Mandovi Apartments, GNB Road, Ambari, Guwahati-781001 (Assam)

March 2016 (1000)

মূল পুথি : গৰিমা কা সৱাল

পুথি প্ৰস্তুতি কৰ্মশালাত অংশগ্ৰহণকাৰী সকল : নিশাৰাণী ডেকা, মীনাক্ষী বেজবৰুৱা, ৰুবী ভাগৱতী শৰ্মা, ফুনু শৰ্মা, মুনীন কাকতি, কুইন বৰা, তৃষ্ণা শৰ্মা, নিৰ্মালী অধিকাৰী দীপাংকৰ দাস, সুস্নাতা গোস্বামী

ভাৰত চৰকাৰৰ ন্যায় বিভাগ বিধি আৰু ন্যায় মন্ত্ৰালয়ৰ তৰফৰ পৰা কৰ্মশালাত উপস্থিত থকা বিষয়াসকল : ৰাজেশ দেউলী, আঁচনি প্ৰবন্ধক, অনশুল চাক্সেনা, আঁচনি বিষয়া গোবিন্দ বৈশ্য, ৰাজ্যিক সমন্বয়ক, অসম

প্ৰথম প্ৰকাশ : মাৰ্চ ২০১৬ (১০০০)

প্ৰকাশক : ৰাজ্যিক সম্পদ কেন্দ্ৰ অসম, মাণ্ডৱী এপাৰ্টমেণ্টছ, জি এন বি ৰোড, আমবাৰী, গুৱাহাটী-৭৮১ ০০১

সম্পাদনা : অনুৰাধা বৰুৱা, প্ৰসন্ন কুমাৰ কলিতা

মুদ্ৰক : শৰাইঘাট অফছেট প্ৰাইভেট লিমিটেড
বামুণীমৈদাম, গুৱাহাটী-৭৮১০২১

# কৃতজ্ঞতা


সাক্ষৰ ভাৰত কাৰ্য্যসূচী ২০০৯ চনৰ ছেপ্টেম্বৰ মাহত আৰম্ভ কৰা হৈছিল। এই কাৰ্য্যক্ৰমত দেশৰ কমসংখ্যক সাক্ষৰ মহিলা থকা ৪১০ খন জিলা সামৰি লোৱা হৈছে। বিশেষকৈ গ্ৰামাঞ্চলৰ মহিলা, অনুসূচিত জাতি, জনজাতি আৰু সংখ্যালঘু সম্প্ৰদায়ক সাক্ষৰ ভাৰত কাৰ্য্যসূচীত লক্ষ্য কৰি লোৱা হৈছে। এই কাৰ্য্যসূচীত বুনিয়াদী সাক্ষৰতাৰ সমানে সমানে বুদ্ধি আৰু দক্ষতাৰ বিকাশ আৰু সমমান শিক্ষাকো সামৰি লোৱা হৈছে।

সাক্ষৰতাক শিক্ষাৰ্থীসকলৰ জীৱনৰ লগত জড়িত কৰি অধিক ৰুচিপূৰ্ণ কৰিবৰ বাবে ইণ্টাৰ পাৰ্চনেল মিডিয়া কেম্পেইন আৰম্ভ কৰা হৈছে। এই কেম্পেইনত আইনী সাক্ষৰতাক বিশেষ গুৰুত্ব দিয়া হৈছে।

আইনী সাক্ষৰতাৰ বিষয়ে সকলোৰে জানিবৰ বাবে আইনী সাক্ষৰতা শৃংখলাৰ নিৰ্মাণ কৰা হৈছে। ভাৰত চৰকাৰৰ মানৱ সম্পদ উন্নয়ন মন্ত্ৰালয়ৰ অধীনত ৰাষ্ট্ৰীয় সাক্ষৰতা মিছন প্ৰাধিকৰণ আৰু বিধি আৰু ন্যায় মন্ত্ৰালয় (ন্যায় বিভাগ)ৰ অধীনত গুৱাহাটীত আয়োজিত কৰ্মশালাত অসম (অসমীয়া ভাষা), ত্ৰিপুৰা (বাংলা ভাষা) আৰু ছিকিম (নেপালী ভাষা)ৰ বিশেষজ্ঞ, লিখক তথা ৰাজ্যিক আইনী সেৱা প্ৰাধিকৰণৰ সহযোগিতাত আইনী সাক্ষৰতাৰ সামগ্ৰীসমূহৰ প্ৰস্তুত কৰা হৈছে।

আইনী সাক্ষৰতা সামগ্ৰীৰ নিৰ্মাণত ন্যায় বিভাগ, ন্যায় মন্ত্ৰালয়, ভাৰত চৰকাৰ আৰু এক্সেচ টু জাষ্টিছ (নৰ্থ ইষ্ট এণ্ড জম্মু কাশ্মীৰ A 2 J NE & JK)ৰ প্ৰকল্পৰ সঞ্চালকে কাৰিকৰী সহযোগিতা প্ৰদান কৰিছে আৰু ইয়াত ভাৰত চৰকাৰৰ ন্যায় বিভাগে অনুমোদন জনাইছে। ৰাষ্ট্ৰীয় সাক্ষৰতা মিছন প্ৰাধিকৰণে সকলো সহযোগী সংস্থা, বিভাগৰ প্ৰতি কৃতজ্ঞতা প্ৰকাশ কৰিছে। এই সামগ্ৰীসমূহে জনসাধাৰণৰ মাজত আইনী সজাগতা আনিব বুলি আশা প্ৰকাশ কৰা হৈছে।

ৰাষ্ট্ৰীয় সাক্ষৰতা মিছন প্ৰাধিকৰণ
মানৱ সম্পদ বিকাশ মন্ত্ৰালয়
নতুন দিল্লী


# আমাৰ দুআষাৰ

ৰাজ্যিক সম্পদ কেন্দ্ৰ অসমে এই লানি পুস্তিকাৰ অসমীয়ালৈ অনুবাদ কৰি প্ৰকাশৰ ব্যৱস্থা কৰিছে। গুৱাহাটীত অনুষ্ঠিত লিখনি প্ৰস্তুতি কৰ্মশালাত এইলানি পুথিৰ অসমীয়ালৈ অনুবাদ কৰা হৈছে। অনুদিত পুথিখিনি অসম ৰাজ্যিক আইন সেৱা প্ৰাধিকৰণৰ দ্বাৰা অনুমোদিত। এই সুযোগতে কৰ্মশালাত অংশগ্ৰহণ কৰা প্ৰতিগৰাকী ব্যক্তিলৈ ধন্যবাদ জ্ঞাপন কৰা হ'ল। আশাকৰোঁ কিতাপখন পঢুৱৈয়ে আদৰি ল'ব।

**সমীৰণ ব্ৰহ্ম**
সঞ্চালক
ৰাজ্যিক সম্পদ কেন্দ্ৰ অসম

মাৰ্চ ২০১৬

# গৰিমাৰ প্ৰশ্ন

সৰলাৰ বিয়া হোৱাৰ ছয় বছৰ সম্পূৰ্ণ হৈছিলহে, এবাৰ দুদিনীয়া জ্বৰতে তাইৰ পতি চিৰদিনৰ বাবে এই সংসাৰ এৰি গুচি যায়। দুটা সন্তানক প্ৰতিপাল কৰাৰ সম্পূৰ্ণ দায়িত্ব পৰিল সৰলাৰ ওপৰত। তাইৰ নিজৰ মনৰ দুখ ব্যক্ত কৰাৰো সময় নোহোৱা হ'ল। প্ৰথম অৱস্থাত ঘৰখনত আলহীৰ ভীৰ, তাৰ



পাছতে সন্তানৰ এশ এবুৰি প্ৰশ্ন। এই সকলোবোৰ ঠিক ঠাক কৰাৰ পাছতে তাইৰ জীৱনলৈ আচল সময়টো আহিল। সৰলাই এতিয়া উপাৰ্জনৰ বাবে কিবা এটা কৰাৰ সময় আহিল। খোৱা-লোৱা, পিন্ধা-ওৰা, সন্তানৰ পঢ়াৰ খৰচ, ঘৰ ভাড়া ইত্যাদি খৰচৰ বাবে টকাৰ প্ৰয়োজন আছে।

সৰলাই চিলাই কাম বৰ ভালদৰে জানিছিল। ক'বলৈ গ'লে এই বিদ্যাত তাই নিপুণ আছিল। তাই ভাবিলে যে বিপদৰ সময়ত নিজৰ এই বিদ্যা কামত আহিব পাৰে। সৰলাই ওচৰৰে খুৰীয়েক গিৰিজাৰ আগত মনৰ কথাবোৰ খুলি ক'লে। গিৰিজাই ক'লে যে তাই স্বামীক এই বিষয়ে ক'ব। তেওঁ নিশ্চয় কিবা এটা উপায় কৰিব।

কেইদিনমান পাছৰ কথা। গিৰিজাই সৰলাক তাইৰ হাতৰ কামৰ কেইটামান নমুনা ওচৰৰ বুটিক এখনত দেখুৱাবলৈ ক'লে। তাইৰ হাতৰ কাম দোকানীজনৰ মন:পুত হ'লে তাই নিশ্চয় কামৰ অৰ্ডাৰ পাব। সৰলাই কথাটো শুনি ঈশ্বৰক ধন্যবাদ জনালে। তাইৰ মনত আশাৰ সঞ্চাৰ হ'ল। তাইৰ ঘৰত পুৰণি নিজে তৈয়াৰ কৰা বেগ, মোবাইল কভাৰ, পাৰ্চ আদি আছিল।



তাই বাকচটো খুলি সেইবোৰ বিচাৰিবলৈ ধৰিলে। বস্তুবোৰ বিচাৰোতে সৰলাৰ বাকচত থকা বিয়াত পিন্ধা কাপোৰযোৰ চকুত পৰিল। সৰলাৰ চকুৰে চকুলো নিগৰি আহিল। স্বামীৰ সৈতে কটোৱা সুখৰ মুহূৰ্তবোৰ বোলছবিৰ দৰে তাইৰ মনত প্ৰতিফলিত হ'ল। কিছু সময় পাছত তাই নিজকে সান্তনা দিলে। চিন্তা কৰিলে বৈবাহিক জীৱনত অকল সুখেই বিচৰাটো উচিত নহয়। তাইৰ সন্তান দুটা চোন তাইৰ লগত আছেই। সৰলাই হাতৰ কামৰ সামগ্ৰীবোৰ উলিয়াই থৈ পাকঘৰৰ পিনে আগবাঢ়িল।

পিছদিনা ৰাতিপুৱা ঘৰুৱা কামখিনি অতি সোনকালে শেষ কৰি সৰলাই গিৰিজা খুৰীয়েকে দিয়া ঠিকনা মতে খোজ পেলালে। তাইৰ মনটো ভাল বেয়া বহুতো কথাই আগুৰি ধৰিলে। বস্তুখিনি যদি দোকানীজনৰ মনঃপুত নহয়, তেন্তে তাই কি কৰিব। তাই আন একোৱেইটো কৰিব নোৱাৰে। যদি দোকানীজনে সুবিধা নিদিয়ে, তেতিয়া তাই টিফিন প্ৰস্তুত কৰি অফিচবোৰত দিয়া আৰম্ভ কৰিব। কিন্তু ইয়াৰ বাবে চাউল, আটা, দাইল পাচলি আদি কিনিবলৈ টকা পাব ক'ত? টিফিন বাচনো কিনিব লাগিব। এইবোৰকে ভাবি ভাবি তাই বুটিকখন পালেগৈ। ভয়ে ভয়ে সৰলাই দোকানৰ ভিতৰত প্ৰবেশ কৰিলে।

জীৱনত প্ৰথমবাৰৰ বাবে ইমান ধুনীয়া বুটিক এখন দেখি সৰলাৰ ভাল লাগি গ'ল, দোকানখনত ভিন্ন প্ৰকাৰৰ ফ্ৰক, চাদৰ মেখেলা, কুৰ্তা আদি দেখি আচৰিত হ'ল। তাই ভাবিলে যে যদি জীৱনত তায়ো কেতিয়াবা এনে কাম কৰিব পাৰিলেহেঁতেন! তেনেতে তাইৰ সন্মুখত এগৰাকী মহিলা দেখি তাইৰ চিন্তাত যতি পৰিল। তেওঁ আছিল বুটিকখনৰ গৰাকী ৰীমা। সৰলাক দেখি তেওঁ কিয় আহিছে সুধিলে।



সৰলাই দুখ মনেৰে তাইৰ জীৱনৰ সকলো কথা ৰীমাক ক'লে। লগতে তাই লৈ যোৱা কামৰ আৰ্হিবোৰ দেখুৱালে। তাইৰ কামবোৰ সঁচাই ধুনীয়া আছিল। ৰীমাই ক'লে "মই তোমাৰ কামত সন্তুষ্ট হৈছো। তোমাৰ হাতৰ নিপুণতা সঁচাই প্ৰশংসনীয়। মই তোমাক নিশ্চয় কাম দিম। তুমি চিন্তা

নকৰিবা।” সৰলাই মনে মনে ভগৱানক ধন্যবাদ জনালে। তাইৰ মনৰ ইচ্ছা ইমান সোনকালে পূৰ হ’ব বুলি তাই সপোনতো ভবা নাছিল।

ৰীমাই তাইক এখন চাদৰ দিলে। আৰ্হিৰ ডিজাইন, চুমকী, সূতা আদি সকলো বস্তু দিলে। কাম সম্পূৰ্ণ কৰাৰ এক নিৰ্দিষ্ট তাৰিখ দি কি কৰিব লাগিব বুজাই দিলে। সৰলা বেগাই নিজৰ ঘৰলৈ বুলি ৰাওনা হ’ল। প্ৰথমেই তাই গিৰিজা খুৰীয়েকক ধন্যবাদ জনালে। তাই চিলাইৰ কাম কৰিব ধৰিলে। নিৰ্দিষ্ট তাৰিখৰ আগতেই তাইক দিয়া কাম সম্পূৰ্ণ হ’ল। জীৱনৰ প্ৰথম উপাৰ্জন পোৱাৰ বাবে সৰলা ব্যগ্ৰ হৈ পৰিল। ৰীমাই তাইৰ কাম দেখি বৰ ভাল পালে। ৰীমাই গিৰিধৰক সৰলাই পাব লগা টকাখিনি দিব ক’লে। গিৰিধৰ আছিল দোকানখনৰ মেনেজাৰ। টকাখিনি পাই সৰলাৰ বৰ ভাল লাগিল।

সৰলাই এনেদৰে ৰীমাৰ পৰা বিভিন্ন অৰ্ডাৰ লৈ কাম কৰি গ’ল। এনেদৰে তাইৰ জীৱন অতিবাহিত হ’ব ধৰিলে। সৰলাই ল’ৰা-ছোৱালী দুটাক বিদ্যালয়তো নাম লগাই দিলে। সকলো খৰচৰ অন্তত তাইৰ কিছু ৰাহিও হ’ব ধৰিলে। হাতৰ কাম



কৰাটো তাইৰ ৰাপ আছিল। সৰলা সন্তুষ্ট আছিল যে হাতৰ বিদ্যা তাইৰ আজি এনে বিপদৰ সময়ত কামত আহিল।

মাজে সময়ে সৰলা বুটিকলৈ যাওঁতে ৰীমা উপস্থিত নাথাকে। তেনে অৱস্থাত সৰলাই গিৰিধৰৰপৰাই মজুৰি লাভ কৰিছিল। . সৰলাৰ ভাব হৈছিল গিৰিধৰে যেন তাইক অধিক সময় চাই থাকে। অৱশ্যে সৰলাই ইয়াত গুৰুত্ব দিয়া নাছিল। কেতিয়াবা টকা দিয়াৰ সময়ত গিৰিধৰৰ হাতৰ স্পৰ্শ সৰলাৰ হাতত পৰিছিল। সৰলাৰ মনত অলপ সংকোচ ভাব হৈছিল। কিন্তু

তাই একো ক'ব পৰা নাছিল। তাই নিজেই সান্তনা লাভ কৰিছিল যে ভুলতে চাগে গিৰিধৰৰ হাতখন তাইৰ হাতত লাগিছে। এয়া চাগে ইচ্ছাকৃত নাছিল।

গিৰিধৰে সৰলাৰ পৰিয়ালৰ অৱস্থা জানিছিল। তেওঁ জানিছিল যে সৰলা এগৰাকী অসহায় মহিলা। লাহে লাহে গিৰিধৰে ৰীমা দোকানত নথকা সময়তহে সৰলাক মাতি অনা হ'ল। তেওঁ প্ৰায়ে সৰলাৰ একেবাৰে সমীপলৈ আহি ৰৈ থাকে বা তাই যোৱাৰ সময়ত দুৱাৰমুখত ৰৈ থাকে। সৰলাৰ উপায় নাছিল। কাৰণ গিৰিধৰৰ পৰাহে তাই মজুৰি ল'ব লাগিছিল। গিৰিধৰৰ এনে ব্যৱহাৰত তাই অতীষ্ঠ হৈ পৰিছিল। মাজে মাজে তাই ঘৰলৈ গৈ কান্দিছিল।

এদিনাখনৰ কথা। সৰলা দোকানলৈ অৰ্ডাৰ জমা দিবলৈ গৈছিল। দোকানত দুই এজন লোকহে আছিল। সুযোগ বুজি গিৰিধৰে তাইক শাৰীৰিক সম্বন্ধ কৰাৰ প্ৰস্তাৱ দিলে। সৰলা বিমোৰত পৰিল। তাইৰ ভৰিৰ তলৰপৰা পৃথিৱীখন খহি পৰা যেন লাগিল। তাই টকা নোলোৱাকৈয়ে ঘৰলৈ দৌৰ মাৰিলে। কিবা এক অপৰাধ বোধত তাই মনটো



শংকিত হৈ পৰিল। তাইৰ শৰীৰটো কঁপিব ধৰিলে। তাইৰ জীৱনত প্ৰথমবাৰৰ বাবে এনে অভিজ্ঞতা হ'ল।

সৌভাগ্যক্ৰমে সৰলাই বাটতে গিৰিজা খুৰীয়েকক লগ পালে। খুৰীয়েকক দেখি তাই ফেঁকুৰিব ধৰিলে। গিৰিজাই প্ৰশ্ন কৰাত তাই সকলো কথা বিবৰি ক'লে। ইয়াৰ পাছত সৰলাই টকা

ল'বলৈ গিৰিধৰৰ ওচৰলৈ গ'লে তেওঁ কি ক'ব বা কি কৰিব তাকে ভাবি শংকিত হৈ পৰিছিল। তাই কাম বাদ দিয়াৰে পৰিকল্পনা কৰিলে। গিৰিজাই তাইক চিন্তা কৰিবলৈ বাধা দিলে। কাম বাদ দিলে কৰিব কি ? নতুন কামত নতুন গিৰিধৰ যে নাপাব তাৰ কোনো নিশ্চয়তা নাই। তাই ক'লে যে কিতাপত পঢ়া অনুসৰি কৰ্মস্থলীত সহকৰ্মীক অপদস্থ কৰাটোও এটা অপৰাধ। গতিকে ইয়াৰ বাবে গিৰিধৰে শাস্তি পাব লাগিব। দুয়ো আলোচনা কৰি সিদ্ধান্ত ললে যে এই কথা তেওঁলোকে ৰীমাক জনাব। নহ'লে বাকী মহিলাসকলো গিৰিধৰৰ কবলত পৰিব পাৰে।

ৰীমাক গোটেই কথাখিনি জনোৱাত তেওঁ বৰ দুখিত হ'ল। অৱশ্যে সৰলাই তেওঁক সকলো কথা খুলি কোৱাৰ বাবে তেওঁ সৰলাক ধন্যবাদ জনালে। তেওঁ গিৰিধৰক মাতি আনিলে। তেওঁক ক'লে যে ভাৰতীয় সংবিধানৰ ৩৫৪,৩৫৪-ওএ, ৩৫৪-বি, ৩৫৪-ডি নং ধাৰা অনুসৰি মহিলা এগৰাকীক স্পৰ্শ কৰা, শালনীতা ভংগ কৰা, অশালীন কথা কোৱা বা ব্যৱহাৰ কৰা, যৌন উৎপীড়ন কৰা, পিছ লোৱা, ইলেকট্ৰনিক মাধ্যমেৰে বেয়া ইংগিত প্ৰদৰ্শন কৰা



আদি সকলোবোৰ অপৰাধ। সৰলাই মহিলা আৰক্ষীৰ ওচৰত এফ. আই. আৰ দাখিল কৰিলে গিৰিধৰ জেললৈ যাব লাগিব বা জৰিমনা ভৰিব লাগিব অথবা দুয়োটা দণ্ডৰে দণ্ডিত হ'ব।

ৰীমাৰ স্বামী আৰক্ষীৰ এগৰাকী ডাঙৰ বিষয়া। সেয়েহে ৰীমাই আইনৰ বহুতো কথা জানে। এই কথা শুনি গিৰিধৰে বৰ ভয়

খালে। শাস্তিৰ ভয়ত তেওঁৰ পত্নী আৰু ল'ৰা-ছোৱালীৰ বাবে চিন্তা হ'ল। তেওঁ ৰীমাক ক্ষমা খুজিলে। ভৱিষ্যতে এনে ভুল নকৰে বুলি তেওঁ প্ৰতিজ্ঞা কৰিলে।

ৰীমাই ভাবিলে যে গিৰিধৰৰ এইটো প্ৰথম দোষ। সি ক্ষমাও বিচাৰিছে। গতিকে তাক এইবাৰলৈ ক্ষমা কৰি দিয়া ভাল। কিন্তু সি যে এটা ডাঙৰ ভুল কৰিছে এই কথাটো সি অনুভৱ কৰা উচিত। তেওঁ গিৰিধৰক ক'লে যে তাক কাইলৈ তেওঁৰ স্বামীৰ সৈতে লগ কৰাই দিব। গিৰিধৰৰ বাবে এয়া মানি লোৱাৰ বাহিৰে আন বিকল্প নাছিল।

ৰীমাৰ স্বামীয়ে গিৰিধৰক বহুত গম্ভীৰভাৱে কথাবোৰ বুজালে। তেওঁ ক'লে যে আজিকালি মহিলাৰ বিৰুদ্ধে ভয়ংকৰ অপৰাধে গা কৰি উঠিছে। ইয়াৰ আৰম্ভণি এনে সৰু সুৰা দুষ্কৰ্মৰ দ্বাৰাই হয়। লাহে লাহে ই গভীৰ অপৰাধলৈ পৰিৱৰ্তন হয়। আজিকালি মহিলাসকলে ঘৰৰ চাৰিবেৰৰপৰা বাহিৰলৈ ওলাই আহি কামত নিয়োজিত হৈছে। পুৰুষসকলে তেওঁলোকৰ অৱস্থা আৰু পৰিৱেশ বুজিবলৈ চেষ্টা কৰা উচিত। তেওঁলোকৰ ইচ্ছাৰ বিৰুদ্ধে তেওঁলোকৰ সৈতে বন্ধুত্ব কৰিবলৈ চেষ্টা কৰাৰ বাবে

পুৰুষসকলৰ কোনো অধিকাৰ নাই। মহিলাসকলৰ শালীনতা বজাই ৰখাত পুৰুষসকলৰো দায়িত্ব আছে। এই কথা বুজাই ৰীমাৰ স্বামীয়ে গিৰিধৰক ক'লে যে এতিয়া মহিলাসকলৰ পিছ লোৱা, গালি পৰা, ভয় খুওৱা, অশ্লীল ছবি দেখুওৱা আদি সকলো অপৰাধ। মহিলাগৰাকীৰ বয়স ১৮ বছৰতকৈ কম হ'লে (নাবালক হ'লে), শাস্তি আৰু অধিক কঠোৰ হয়। পুৰণি নিয়ম সংশোধন কৰা হৈছে। কম বয়সৰ ছোৱালীক



যৌন উৎপীড়ন কৰিলে আজীৱন কাৰাবাস খাটিব লাগিব পাৰে। নিজৰ অধীনত কৰ্মৰত মহিলাক যৌন আতিশয্য কৰিলে ৩৭৬-চি ধাৰা অনুসৰি ইয়াক দণ্ডনীয় অপৰাধ বুলি ধৰা হয়। ভুক্তভোগী মহিলাই এই ক্ষেত্ৰ ত আৰক্ষী বিষয়াৰ ওচৰত এফ আই আৰ দাখিল কৰিব লাগে। এনে ক্ষেত্ৰত মহিলা সংগঠনবোৰৰ পৰাও সহায় লাভ কৰিব পাৰে। প্ৰয়োজন সাপেক্ষে চিকিৎসাৰো সুবিধা লাভ কৰিব পাৰে।



তেখেতে লগতে উল্লেখ কৰিলে যে সামূহিক বলাৎকাৰীক যাৱজ্জীৱন কাৰাদণ্ড বিহাৰ ব্যৱস্থা কৰিছে। ৩৭৬ -ডি নং ধাৰাত ইয়াৰ উল্লেখ আছে। ইয়াৰ অৰ্থ এয়াই যে বৰ্তমান মহিলাৰ শালীনতা ভংগ কৰা ব্যক্তি সাৰি যোৱাৰ উপায় নাই। যৌনকৰ্মী মহিলাৰ ক্ষেত্ৰতো মহিলাগৰাকীৰ  ইচ্ছাৰ বিৰুদ্ধে যৌন কাৰ্য্য কৰাটো অপৰাধ বুলি ধৰা হয়।

ৰীমাই গিৰিধৰক ক'লে,' এইটো তোমাৰ প্ৰথম ভুল। সেয়েহে তোমাক ক্ষমা কৰা হ'ল, আগলৈ সৰলাৰ প্ৰতি তোমাৰ ব্যৱহাৰ যাতে সৌহাৰ্দ্যপূৰ্ণ হয়। অন্যথা তুমি জেলৰ ভাত খাব লাগিব'। ভুলৰ অনুশোচনাত গিৰিধৰৰ চকুলো বৈ আহিল। তেওঁ ৰীমা আৰু সৰলাৰ ওচৰত ক্ষমা বিচাৰিলে।

সৰলাই সকলোবোৰ কথা শুনি আছিল। তেওঁ ভাবি আচৰিত হ'ল যে মহিলাৰ শালীনতা ৰক্ষাৰ বাবে চৰকাৰে ইমান আইন তৈয়াৰ কৰিছে, কিন্তু এই বিষয়ে তেওঁ একো নাজানে। এই অজান জগতখনত তেওঁ সন্তানৰ সৈতে মূৰ তুলি জীয়াই থাকিব পাৰিব। তাকে ভাবি সৰলাৰ মনলৈ এক ডাঙৰ শক্তি আহিল।

## যৌন উৎপীড়নৰ বিৰুদ্ধে নতুন আইন

- ☆ কৰ্মস্থলীত মহিলাসকলক কৰা যৌন উৎপীড়ন (নিবাৰণ, প্ৰতিৰোধ তথা প্ৰতিতোষণ) আইন ২০১৩, ২০১৩ চনৰ ফেব্ৰুৱাৰী মাহৰপৰা কাৰ্য্যকৰী হৈছিল।
- ☆ আনৰ ঘৰত কাম কৰা মহিলাসকলৰ ক্ষেত্ৰতো এই আইন প্ৰযোজ্য হ'ব।
- ☆ এই আইনৰ অধীনত অপৰাধীক ৯০ দিনৰ ভিতৰত শাস্তি প্ৰদান কৰিব লাগিব, অন্যথা জৰিমনা হ'ব।
- ☆ কৰ্মস্থলীত মহিলাৰ ওপৰত হোৱা অত্যাচাৰক যদি বাধা দিয়া বা বন্ধ কৰা নহয় বা অপৰাধীক শাস্তি দিয়া নহয়, তেতিয়া শাস্তি গুৰুতৰ হ'ব। হয়তো অনুষ্ঠানটো বন্ধ কৰিও দিয়া হ'ব পাৰে।
- ☆ অপৰাধীয়ে ৫০,০০০ টকালৈ জৰিমনা ভৰিব লগা হ'ব পাৰে।
- ☆ মহিলাৰ শৰীৰ স্পৰ্শ কৰা, লেতেৰা ফটো দেখুওৱা, লেতেৰা/অসভ্য কথা পতা, শাৰীৰিক সম্বন্ধ কৰিব বিচৰা আদিবোৰ শালীনতা হানিৰ ভিতৰত ধৰা হয়। অশোভনীয় সকলো ব্যৱহাৰকে শালীনতা হানিৰ ভিতৰত ধৰা হয়।
- ☆ মহিলাসকলক শাৰীৰিক বা মানসিক উৎপীড়ন কৰা আইনমতে দণ্ডনীয় বুলি কৰ্মস্থলীত জাননী আঁৰি দিব লাগে।
- ☆ সকলো কামৰ ঠাইত এনে এক সমিতি থকা দৰকাৰ য'ত মহিলাৰ শালীনতা হানিৰ বিষয়ে আপত্তি দৰ্শাব পাৰি।

# আইনী সাক্ষৰতাৰ সজাগতাৰ বাবে প্ৰকাশিত পুথিসমূহ-

১) চকু মুকলি হ'ল (ভাৰতৰ নাগৰিকৰ অধিকাৰ আৰু কৰ্তব্য)

২) এতিয়া আৰু চিন্তা নাই (গৰ্ভধাৰণ আৰু প্ৰসৱপূৰ্ব লিংগ নিৰ্ধাৰণ অধিনিয়ম ১৯৯৪ আৰু ২০০৩ (সংশোধিত)

৩) ৰমাৰ পাঠশালা (শিক্ষাৰ অধিকাৰ অধিনিয়ম ২০০৯)

৪) শালীনতাৰ মৰ্যাদা (আইনী সাক্ষৰতা শৃংখলা-৪)

৫) যৌতুক: পৰম্পৰা নহয় অভিশাপহে (যৌতুক প্ৰতিৰোধ অধিনিয়ম ১৯৬১)

৬) আশাৰ বেঙুনি (ঘৰুৱা হিংসাৰ পৰা সুৰক্ষা অধিনিয়ম ২০০৫)

৭) এতিয়া কোনো অনাহাৰে থাকিব নালাগে (খাদ্য সুৰক্ষা অধিনিয়ম ২০১৩)

৮) মণিকাৰ মুখত হাঁহি বিৰিঙিল (তথ্য জনাৰ অধিকাৰ আইন ২০০৫)

৯) ৰমেশে উচিত বিচাৰ পালে (বিনামূলীয়া আইন সাহায্য)

১০) নাজমাই পালে সুবিচাৰ (অনৈতিক মানব সৰবৰাহ আইন ১৯৫৬)

১১) ভাৰত চৰকাৰৰ মুখ্য আঁচনিসমূহ

Saakshar Bharat


**STATE RESOURCE CENTRE ASSAM**
1-CD, Mandovi Apartments, GNB Road
Ambari, Guwahati-781001
E-mail-srcassam@hotmail.com
Website : www.srcguwahati.in